**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2024
**Time :** 1845 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

::::::::::::::::::::::::::::::::::

### *HEADLINES*

১।	প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈৰ পৰা বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ তৎপৰতা। ২৭ মাৰ্চ মনোনয়ন দাখিলৰ অন্তিম দিন।

২।	নিৰ্বাচন সংক্ৰান্তীয় নথি-পত্ৰ তথা ভোটদাতাৰ তালিকাৰ বাবে কাগজৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ৰাজনৈতিক দলসমূহৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহলৈ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা।

৩।	প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শাসনধিষ্ঠিত বিজেপি মিত্ৰজোঁটকে ধৰি অন্য দলসমূহৰ প্ৰচাৰ অভিযান।

৪।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি-নীতিৰে দৌল মহোৎসৱ। বৰপেটাৰ ভৰদৌলত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি  ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ।০০০০

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিনলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে কাইলৈৰ পৰা মনোনয়ন দাখিলৰ বাবে তৎপৰতা পৰিলক্ষিত হ'ব। দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে নিৰ্বাচনী কাৰ্যালয় মাজতে দুটা দিন বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত মনোনয়ন দাখিল কৰিব পৰা হোৱা নাছিল বাবে কাইলৈৰ পৰা এই প্ৰক্ৰিয়াই গতি লাভ কৰিব। উল্লেখযোগ্য যে, ২৭ মাৰ্চ প্ৰথম পৰ্যায়ৰ মনোনয়ন দাখিলৰ অন্তিম দিন আৰু ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ বুলি ঘোষণা কৰা হৈছে। অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন হ'ব। কাইলৈ ৰাজ্যত শাসনাধিস্থিত বিজেপি মিত্ৰজোঁটৰ লগতে কংগ্ৰেছ আৰু অন্যান্য দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ কথা। বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে অহা দুদিনত দলটোৰ ৫ গৰাকী প্ৰাৰ্থীয়ে নিজ নিজ সদৰত মনোনয়নপত্ৰ দাখিল কৰিব। কাইলৈ ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱাল আৰু লখিমপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদান বৰুৱাই মনোনয়ন দাখিল কৰিব। পৰহিলৈ অৰ্থাৎ ২৭ মাৰ্চত যোৰহাটৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ, কাজিৰঙাৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা আৰু তেজপুৰ সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ দত্তই জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰিব। প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও দলীয় কৰ্ম-কৰ্তা উপস্থিত থাকিব। আনহাতে মুখ্যমন্ত্ৰীয়ে আজি নিশা ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি তথা তেজপুৰ সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ দত্তৰ সৈতে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা।

একেদৰে কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও কাইলৈৰ পৰা মনোনয়ন দাখিল কৰিব। কাইলৈ যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে মনোনয়ন দাখিল কৰিব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকিব। আনহাতে কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়েও কাইলৈ মনোনয়ন দাখিল কৰিব। পৰহিলৈ লখিমপুৰৰ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাথী

লুৰিনজ্যোতি গগৈয়েও মনোনয়ন দাখিল কৰাৰ কথা। আটাইকেইগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিলৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা উপস্থিত থাকিব।

০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে চলচ্চিত্ৰ, সাংস্কৃতিক আৰু ক্ৰীড়া জগতৰ কেইবাগৰাকীও তাৰকাক প্ৰাৰ্থীত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। ইয়াৰ আগতেও চলচ্চিত্ৰ আৰু ক্ৰীড়া জগতৰ পৰা ভালেসংখ্যক তাৰকাই সংসদৰ সদস্য হিচাপে নিৰ্বাচিত অথবা মনোনীত হৈছে। হেমামালিনী, জয়া বচ্চন, শচীন টেণ্ডুলকাৰ, জয়াপ্ৰদা, ৰেখা, জয়াললিতা, নৱজিৎ সিং সিদ্ধুকে ধৰি ভালেসংখ্যক তাৰকাই সংসদত দেশক প্ৰতিনিধিত্ব কৰি আহিছে। শেহতীয়াকৈ এইবাৰ বিজেপিয়ে হিমাচল প্ৰদেশৰ মান্দি লোকসভা সমষ্টিৰ পৰা অভিনেত্ৰী কংগনা ৰানাৱাট, মীৰাট সমষ্টিৰ পৰা অভিনেতা অৰুণ গোভিলক প্ৰাৰ্থীত্ব দিছে। দলে শেহতীয়াকৈ ঘোষণা কৰা ১১১খন আসনৰ পঞ্চমখন প্ৰাৰ্থী তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত হৈছে। ইপিনে তৃণমূল কংগ্ৰেছে হুগলি সমষ্টিৰ পৰা বিজেপিৰ লোকেত চেতাৰ্জীৰ বিপৰীতে অভিনেত্ৰী ৰাস্না বেনাৰ্জীক প্ৰাৰ্থীত্ব দিছে। একেদৰে কৃষ্ণনগৰ সমষ্টিৰ পৰা তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰই ৰাজপৰিয়ালক প্ৰতিনিধিত্ব কৰা বিজেপিৰ অমৃতা ৰয়ৰ বিৰুদ্ধে প্ৰতিনিধিত্ব কৰিব। একেদৰে বৰ্ধমান সমষ্টিত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ ঘোষৰ বিৰুদ্ধে টি এম চিৰ হৈ প্ৰাক্তন ক্ৰিকেটাৰ কীৰ্তি আজাদে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। একেদৰে আছাঞ্চল সমষ্টিত অভিনেতা শত্ৰুঘ্ন সিনহাক প্ৰাৰ্থীত্ব দিয়া হৈছে। ইপিনে বেহৰামপুৰ সমষ্টিত প্ৰাক্তন ক্ৰিকেটাৰ ইউছুফ পাঠানক টি এম চিয়ে প্ৰাৰ্থীত্ব দিছে। সমষ্টিটোত কংগ্ৰেছৰ ৰাজ্যিক মুৰব্বী তথা সাংসদ অধিৰ ৰঞ্জন চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিভিন্ন দলে এনেধৰণৰ তাৰকাক লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা সন্দৰ্ভত সাংবাদিক নৱ ঠাকুৰীয়াই এইদৰে কয়–

***ঃঃ ভইচ ঃঃ***

উল্লেখযোগ্য যে বিজেপিৰ লগতে অন্য দলসমূহে এনেধৰণৰ তাৰকাক প্ৰাৰ্থীত্ব দিয়াৰ বিপৰীতে কেইবাগৰাকীও মন্ত্ৰী আৰু সাংসদে এইবাৰ প্ৰাৰ্থীত্ব লাভ কৰা নাই। ইয়াৰ ভিতৰত মন্ত্ৰী জেনেৰেল ভি কে সিং, ৰামেশ্বৰ তেলী আৰু মিনাক্ষী লেখিও আছে।

০০০০০০০

নিৰ্বাচন আয়োগে আসন্ন লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ  পৰিৱেশ অনুকূল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আয়োগে নিৰ্বাচন সংক্ৰান্তীয় নথি-পত্ৰ তথা ভোটদাতাৰ তালিকাৰ বাবে কাগজৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ৰাজনৈতিক দলসমূহৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। আয়োগে ই-বুক তথা ই-ডকুমেণ্টৰ ব্যৱহাৰৰ লগতে কাগজৰ দুয়ো পিঠি ব্যৱহাৰ আৰু সঠিক বিন্যাসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আসন্ন নিৰ্বাচনৰ সময়ত যোগাযোগৰ বাবে বৈদ্যুতিক মাধ্যম ব্যৱহাৰ কৰিবলৈ সকলোকে উৎসাহিত কৰাৰ উদ্দেশ্যে এই নিৰ্দেশনাসমূহ জাৰি কৰা হৈছে। লগতে আয়োগে পৰিৱেশ অনুকূলভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট কৰ্তৃপক্ষ তথা ৰাজনৈতিক দলসমূহলৈ আসন্ন নিৰ্বাচনৰ সময়ছোৱাত একবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক এৰাই চলাৰ লগতে আৱৰ্জনা নিষ্কাশনৰ পৃথক ব্যৱস্থা তথা অনাময় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি সকলো ধৰণৰ আৱৰ্জনা নিষ্কাশন সঠিক ধৰণে কৰা, পৰিবহণৰ বাবে পৰিৱেশ অনুকূল বাহন ব্যৱহাৰ কৰাৰ লগতে যাতায়াতৰ বাবে ৰাজহুৱা পৰিবহণৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰ বাবে নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰক উৎসাহিত কৰিবলৈও ৰাজনৈতিক দলসমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পিছতেই কংগ্ৰেছ, বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈৰে পূৰ্বপুৰুষক সেৱা জনাই আজি নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। তেওঁ সোণাৰী, মাহমৰা বিধানসভা সমষ্টিৰ লগতে গেলেকী আৰু মৰিয়ণিত ভালেকেইখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উন্নয়নমূলক কাম-কাজৰ বাবে সমাগত নিৰ্বাচনত জনসাধাৰণে বিজেপিক ভোট দিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

আনহাতে, মন্ত্ৰী পিয়ুষ হাজৰিকাই আজি শিৱসাগৰত তপন গগৈৰ হৈ লানি নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দ্ৰুত উন্নয়নৰ বাবে ৰাইজে আকৌ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপিক ভোট দিব লাগে বুলি উল্লেখ কৰি তেওঁ কয় যে বিগত ৬০ বছৰত ৰাজ্যত কংগ্ৰেছে ৬খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰাৰ বিপৰীতে বিজেপিয়ে ১৮খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি অভিলেখ গঢ়িছে। একেদৰে কংগ্ৰেছে বিগত ৬০ বছৰত ব্ৰহ্মপুত্ৰৰ ওপৰত ৪খন দলং নিৰ্মাণ কৰাৰ বিপৰীতে বিজেপি চৰকাৰে ১০ বছৰত ৭খন নতুন দলং নিৰ্মাণ কৰিছে বুলি তেওঁ কয়। নিৰ্বাচনী সভাত তেওঁ অৰ্জুনগুৰি অঞ্চলৰ বান সমস্যা সমাধানৰ বাবে ৰিং বান্ধ নিৰ্মাণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। নিৰ্বাচনী প্ৰচাৰ সভাতে কংগ্ৰেছ দলৰ পৰা অহা দুগৰাকী প্ৰাক্তন ৱাৰ্ড সদস্যই আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। মন্ত্ৰীগৰাকীয়ে তপন গগৈৰ হৈ ৯খন সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়।

একেদৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰীশংকৰ শৰণীয়াই তামুলপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ সাংবাদিকৰ আগত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ জয় নিশ্চিত বুলি মন্তব্য কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে ৰাজ্যজুৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ভিন্ন ৰঙী আবিৰেৰে ৰাজ্যৰ বজাৰসমূহ ভৰি পৰাৰ সমান্তৰলাভাৱে সত্ৰ তথা মন্দিৰসমূহত দৌল উৎসৱ উলহ-মালহেৰে পালন কৰা হৈছে।

দেশৰো ভিন্ন প্ৰান্তত আজি ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফাকুৱা উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। ইফালে ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়ায়ো হোলী উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

মহাপুৰুষ মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰখনত আজি ভৰ দেউল উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আতাপুৰুষসকলৰ গৃহ, মঠ গৃহ আৰু গুৰু আসনৰ আগত সেৱা জনায়। দৌল গৃহত আৰোহন কৰি কলীয়া গোসাঁইৰ গাত ফাকু চতিয়াই মুখ্যমন্ত্ৰী ড০ শৰ্মাই সেৱা জনায়। তেওঁ জীৱনত এবাৰ হ'লেও বৰপেটাৰ দৌল উৎসৱ চাবলৈ ৰাইজক আহ্বান জনায়। আজিৰ দিনটোত সত্ৰখনত উপস্থিত হ'ব পৰাটো তেওঁৰ বাবে সৌভাগ্য বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ লগত বৰপেটা লোকসভা সমষ্টিৰ প্ৰাথী ফণী ভূষণ চৌধুৰী, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণী তালুকদাৰ আৰু ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে। কাইলৈ বৰপেটাত সুঁৱেৰী তথা ফাকুৱা উদযাপন কৰা হ'ব।

বৰপেটা সত্ৰৰ সমান্তৰালকৈ ঐতিহ্যমণ্ডিত সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী শংকৰদেৱৰ থান, বৰপেটা ৰোডৰ শাখা সত্ৰ, সৰভোগৰ মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোঁসাই থান আদিতো দৌল উৎসৱ পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ইফালে, দৌল মহোৎসৱৰ সুঁৱেৰী উপলক্ষে বৰপেটা জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত দৌলগোবিন্দ মন্দিৰতো সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে পাঁচদিনীয়া কাৰ্যসূচীৰে কালিৰে পৰা দৌল উৎসৱ অনুষ্ঠিত হৈছে। আজি মহাপ্ৰভুৰ নিত্য স্নান আৰু মহাপূজাৰ লগতে ধৰ্মীয় পৰম্পৰাৰে দৌলগোবিন্দ মহাপ্ৰভুক ফাঁকু দিয়া হয়।

বাক্সা জিলাৰ জেঙৰেংপাৰা দৌল মন্দিৰত কালিৰে পৰা ৫ দিনীয়াকৈ দৌল উৎসৱ আৰম্ভ হৈছে। জিলাখনত জালাহ শ্ৰীশ্ৰী বুঢ়াগোসাঁই কীৰ্তন ঘৰ সমিতিৰ উদ্যোগতো দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

**কোকৰাঝাৰ** জিলাতো জনসাধাৰণৰ মাজত আজি হোলীৰ আনন্দ পৰিলক্ষিত হয়। দৌল উৎসৱ উপলক্ষে **বঙাইগাঁও** জিলাত কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ ৰংজুলীৰ শ্ৰী শ্ৰী ৰামচন্দ্ৰ বিগ্ৰহত ৫দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি দ্বিতীয় দিনা কলীয়া গোসাঁইক দৌলত আৰোহণ কৰোৱাৰ পাছত হোলী গীত পৰিৱেশন কৰা হয়। কাইলৈ ঊষা কীৰ্তন, পূজা, নাম-কীৰ্তন, বৰ ঢুলীয়া নৃত্য, সিধা বিতৰণ আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ শ্যামৰায় সত্ৰ, কেউলীয়া হাতী সত্ৰৰ

লগতে লক্ষীপুৰ, দুধনৈ, কৃষ্ণাই, ধূপধৰা, আগিয়া, মাটিয়া আদি অঞ্চলতো দৌল উৎসৱ পালন কৰা হৈছে। উল্লেখযোগ্য যে, হোলী উপলক্ষে কাইলৈ গোৱালপাৰা জিলাতো স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

ইফালে কামৰূপ জিলাৰ শুৱালকুছিৰ শ্ৰীহাতী সত্ৰ, দক্ষিণ কামৰূপৰ আমতোলা সত্ৰৰ চতুৰ্ভুজ মন্দিৰ, ৰঙিয়াৰ পোৰাঢাপ সত্ৰ, দীপ্তেশ্বৰী দেৱালয়, নবুৰ্কা সত্ৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, তামুলপুৰ জিলাৰ পুনিয়া সত্ৰ আদিৰ লগতে কামৰূপ জিলাৰ কমলপুৰ, চাংসাৰী, বেজেৰা, আমিনগাঁও, মিৰ্জা, চমৰীয়া আদি অঞ্চলতো ধৰ্মীয় পৰম্পৰাৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বটদ্ৰৱা থানতো কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌলযাত্ৰা মহোৎসৱ অনুষ্ঠিত হৈছে। কাইলৈ থানখনত গোঁসাই ফুৰোৱা উৎসৱৰ আয়োজন কৰা হৈছে।

ইফালে সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীতো ৰঙৰ উৎসৱ ফাকুৱা ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে। জিলাখনৰ গড়মুৰ, দক্ষিণ পাট, চামগুৰি, বেঙেনাআটি আদি সত্ৰত উলহ-মালহেৰে ফলগোৎসৱ পালন কৰাৰ বাতৰি আমালৈ আহিছে।

০০০০০০০

ফাকুৱাৰ আনন্দৰ মাজতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ধুমুহাই বিস্তৰ ক্ষতি কৰে। গোলাঘাট জিলাৰ নুমলীগড়ৰ বিভিন্ন অঞ্চলত ধুমুহাই বিস্তৰ ক্ষতি কৰা পৰিলক্ষিত হৈছে। ধুমুহাত বকীয়াল, নাহৰচলা, নপাম, গেৰুকানী আদি গাঁৱৰ ভালেসংখ্যক লোকৰ বাসগৃহৰ অনিষ্ট হোৱাৰ লগতে চৌহদৰ বিভিন্ন গছ-গছনি উভালি পৰা বুলি জানিব পৰা গৈছে।

কাৰ্বি আংলাং জিলাৰ পানজান অঞ্চলতো প্ৰবল ধুমুহা বৰষুণে ক্ষতি কৰে। ধুমুহাৰ ফলত অঞ্চলটোৰ চাম হান্সে, ৰংপুৰ বে গাঁও, আংজক ইংতি গাঁৱকে ধৰি ভালে সংখ্য স্থানত পথৰ কাষৰ গছ উভালি পৰাৰ ফলত সাময়িক ভাৱে পথ যোগাযোগ ব্যাহত হৈছে। তদুপৰি বিভিন্ন স্থানত বিদ্যুত সংযোগো ব্যাহত হৈ থকা বুলি জানিব পৰা গৈছে। ইফালে ধুমুহাত গছ উভালি পৰাৰ ফলত পথৰ কাষত ৰখাই থোৱা বাহনৰো ক্ষতি হয়।

০০০০০০০

অসম আৰক্ষীয়ে নিচা যুক্ত সামগ্ৰীৰ সৰবৰাহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। নগাঁও আৰক্ষীৰ এটা দলে আজি বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰীসহ দুজন লোকক আটক কৰে। ডিমাপুৰৰ পৰা নগাঁৱলৈ সৰবৰাহৰ চেষ্টা চলাওঁতে আৰক্ষীয়ে অভিযান চলাই নিচাযুক্ত সামগ্ৰীখিনি জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে আনাৰুল ইছলাম আৰু মইনুদ্দিন নামৰ দুজন লোকক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান শ্ৰীশ্ৰীবটদ্ৰৱা থানত উপস্থিত হৈ প্ৰয়াত সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰে। বটদ্ৰৱাৰ নৱোৱা সত্ৰৰ উপৰি পাঁচ সত্ৰৰ সত্ৰাধিকাৰ হিচাপে দায়িত্ব গ্ৰহণ কৰা দেৱগোস্বামীৰ মৃত্যুত মুখ্যমন্ত্ৰীগৰাকীয়ে শোক প্ৰকাশ কৰে। প্ৰয়াত সত্ৰাধিকাৰগৰাকীয়ে বিগত সময়ছোৱাত বটদ্ৰৱা থানত উন্নয়ন আৰু বিকাশৰ বাবে বহু কাম কৰি থৈ যোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ বাবে কংগ্ৰেছে প্ৰাৰ্থী ঘোষণা কৰাৰ পাছতেই নাওবৈচাৰ বিধায়ক ভৰত নৰহে দলৰ পৰা পদত্যাগ কৰিছে। বিধায়কগৰাকীয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে ভৰত নৰহৰ পত্নী তথা প্ৰাক্তন সাংসদ ৰাণী নৰহ লখিমপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছৰ অন্যতম প্ৰাৰ্থীত্বৰ দাবীদাৰ আছিল। ৰাণী নৰহৰ পৰিৱৰ্তে কংগ্ৰেছে উদয় শংকৰ হাজৰিকাক এই সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। আনহাতে যোৱাবৰ্ষৰ ডিচেম্বৰ মাহত প্ৰদেশ কংগ্ৰেছৰ সম্পাদকৰ দলীয় বিষয়বাবৰ পৰা পদত্যাগ কৰা তিতাবৰৰ যুৱ নেতা ৰাতুল কুৰ্মীয়ে নিজৰ পদত্যাগ পত্ৰ প্ৰত্যাহাৰ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে কালি জয়পুৰৰ ছাৱাই মানসিং ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ২০ ৰানত পৰাস্ত কৰে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন খেলত গুজৰাট টাইটানছে মুম্বাই ইণ্ডিয়ানছক ৬ ৰান পৰাস্ত কৰে।

০০০০০০০

ঃসমাপ্তঃ